যোৰহাট মহাবিদ্যালয়ত ইন্দিৰা মিৰিৰ মৃত্যু বার্ষিকী উপলক্ষে বক্তৃতানুষ্ঠান

যোৰহাট, ৭ ছেপ্টেম্বৰ ঃ অসমৰ আধুনিক শিক্ষাৰ বিকাশৰ সৈতে জড়িত এগৰাকী বিশিষ্ট শিক্ষাবিদ তথা অগ্রণী ব্যক্তিত্ব ইন্দিৰা মিৰিৰ মৃত্যু বার্ষিকী উপলক্ষে যোৰহাট মহাবিদ্যালয়ত শিক্ষাতত্ত্ব বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহযোগত এখন স্মাৰক বক্তৃতা অনুষ্ঠান অনুষ্ঠিত হয়। শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপিকা পূর্ণিমা পাদিয়ে সভাৰ উদেশ্যে ব্যাখ্যা কৰি ইন্দিৰা মিৰিৰ জীৱনৰ চমু আলোকপাত কৰে। মুৰব্বী অধ্যাপিকা যুতিমালি শইকীয়াই আঁত ধৰা ইয়াৰ পৰৱর্তী কার্যসূচীত বিভাগৰ তিনিখন গৱেষণামূলক প্রকাশন উন্মোচন কৰা হয়। যথাক্রমে, ড° ৰশ্মি দাসে সম্পাদনা কৰা গৱেষণা পত্রিকা "Shaping Thoughts: Educational Studies and Analysis' খন কলেজৰ অধ্যক্ষ ড° সৌমিত্র পুজাৰীয়ে আৰু আইএছবিএন-যুক্ত গ্রন্থ 'একাডেমিক ইনছাইট' সভাৰ মুখ্য বক্তা উৎপল দত্তই উন্মোচন কৰে। পূর্ণিমা পাদিয়ে সম্পাদনা কৰা শিক্ষাতত্ত্ব বিভাগৰ ছাত্র-ছাত্রীসকলৰ দ্বাৰা ৰচিত আইএছবিএন গৱেষণাধর্মী গ্রন্থ 'প্রজ্ঞান' আইকিউএচি সমন্বয়ক ড° গীতার্থ গোস্বামীয়ে উন্মোচন কৰে। অনুষ্ঠানত বিভাগৰ প্রথম আৰু দ্বিতীয় ষাণ্মাসিকৰ সর্বোচ্চ নম্বৰ প্রাপ্ত স্বপ্নামিতা বৰঠাকুৰ, তৃতীয় আৰু চতুর্থ ষান্মাসিকৰ সর্ব্বোচ্চ নম্বৰ প্রাপ্তক অবিনাশ বণিয়াক শৈক্ষিক কৃতিত্ব আৰু অৱদানৰ স্বীকৃতি হিচাপে বিভাগৰ উদগনিমূলক বঁটা প্রদান কৰা হয়। বক্তৃতানুষ্ঠানৰ মূল সমল ব্যক্তি ইতিহাস বিভাগৰ জ্যেষ্ঠ অধ্যাপক উৎপল দত্তই ইন্দিৰা মিৰিক উত্তৰ-পূর্বাঞ্চলত আধুনিক শিক্ষাৰ বিকাশৰ অগ্রদূতসকলৰ অন্যতম বাটকটীয়া আখ্যা দিয়ে। ঔপনিবেশিক কালত নাৰী শিক্ষাৰ সম্প্রসাৰণৰ ক্ষেত্রত থকা বিভিন্ন প্রত্যাহ্বানৰ বিষয়ে আলোকপাত কৰি ইন্দিৰা মিৰিৰ বৌদ্ধিক তথা শৈক্ষিক যাত্রাক প্রভাৰিত কৰা সামাজিক আৰু শৈক্ষিক পৰিস্থিতিসমূহ বিশ্লেষণ কৰে। ইন্দিৰা মিৰিৰ আত্মজীৱনীৰ আঁত ধৰি দত্তই কয় যে ইন্দিৰা মিৰিৰ জীৱন অধ্যয়নে অসম তথা সমগ্র উত্তৰ-পূর্বাঞ্চলত আধুনিক শিক্ষা, বিশেষকৈ নাৰী শিক্ষাৰ বিকাশৰ প্রক্রিয়াটো বুজিবলৈ এক গুৰুত্বপূর্ণ দৃষ্টিকোণ প্রদান কৰে। অৰুণাচল প্রদেশৰ দুর্গম অঞ্চলত অসমীয়া ভাষাক সংযোগী ভাষা হিচাপে লৈ অনগ্রসৰ এলেকাৰ নিৰক্ষৰ মানুহৰ মাজত বিদ্যালয় পাতি শিক্ষাৰ পোহৰ বিলোৱা কার্যৰ বাবে অসম আৰু অৰুণাচল ইন্দিৰা মিৰিৰ ওচৰত ঋণী হৈ ৰ'ব। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমিত্র পূজাৰীয়ে অনুষ্ঠানটিত তেখেতৰ অৱদান আৰু সমাজৰ স্বার্থত ত্যাগৰ বিষয়ে আলোকপাত কৰে। লগতে এগৰাকী মহিলা হিচাপে এডিনবার্গ বিশ্ববিদ্যালয়ত পঢ়ি অৰুণাচলৰ দুর্গম অঞ্চলত শিক্ষাৰ পোহৰ বিলোৱাৰ দৰে মহৎ কামত জীৱন উপসর্গা কৰি যি দৃষ্টান্ত দেখুৱাই গ'ল সি ভৱিষ্যৎ প্রজন্মৰ বাবে অনুপ্রেৰণাৰ উৎস হৈ ৰ'ব সেই সম্পর্কে ছাত্র-ছাত্রীক উনুকিয়াই দিয়ে। অনুষ্ঠানত পূর্ণিমা পাদিয়ে শলাগৰ শৰাই আগবঢ়ায়।